# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 31-08-2024
**Time :** 1715 Hrs.

***Assamese Evening Bulletin***

:::::: :::::: :::::: ::::::

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, সমাজত মহিলাৰ বিৰুদ্ধে হোৱা অপৰাধ আৰু শিশুৰ সুৰক্ষা চিন্তানীয় বিষয় হৈ পৰিছে। তেওঁ কয় যে, মহিলাৰ সুৰক্ষাৰ বাবে দেশত বহুতো কঠোৰ আইন প্ৰণয়ন কৰা হৈছে, কিন্তু সম্প্ৰতি এই আইনসমূহ অধিক সক্ৰিয় কৰি তোলাৰ প্ৰয়োজন হৈছে। শ্ৰী মোদীয়ে নাৰী নিৰ্যাতনৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া দ্ৰুত হোৱাত গুৰুত্ব দি কয় যে, তেতিয়াহে মহিলাৰ সুৰক্ষা নিশ্চিত হৈ উঠিব। প্ৰধানমন্ত্ৰীয়ে নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত দুদিনীয়া ৰাষ্ট্ৰীয় জিলা ন্যায়িক সমাৰোহ উদ্বোধন কৰি দিয়া ভাষণত আজি এই দৰে কয়।

প্ৰধানমন্ত্ৰীয়ে কয় যে, সৰ্বোচ্চ ন্যায়ালয়ৰ ৭৫ বছৰ পূৰ্তিয়ে গণতন্ত্ৰৰ মাতৃ হিচাপে ভাৰতৰ গৌৰৱকে প্ৰতিফলিত কৰিছে। সৰ্বোচ্চ ন্যায়ালয়ৰ ৭৫ বছৰীয়া ইতিহাসক ভাৰতৰ সংবিধান আৰু সাংবিধানিক প্ৰমূল্যৰ পৱিত্ৰ যাত্ৰা হিচাপে শ্ৰী মোদীয়ে অভিহিত কৰে। তেওঁ কয় যে, এই যাত্ৰা হৈছে গণতন্ত্ৰ হিচাপে ভাৰত অধিক পৰিপক্ক হৈ উঠাৰ যাত্ৰা। দেশৰ জৰুৰীকালীন অৱস্থাৰ অন্ধকাৰ সময়তো আনকি সৰ্বোচ্চ ন্যায়ালয়ে দেশবাসীৰ মৌলিক অধিকাৰ সুৰক্ষিত কৰি ৰাখিছিল বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, যেতিযাই ৰাষ্ট্ৰীয় স্বাৰ্থৰ ক্ষেত্ৰত প্ৰশ্ন উঠে, তেতিয়াই ন্যায়ালয়ে সদায় ৰাষ্ট্ৰীয় সংহতিৰ অতন্দ্ৰ প্ৰহৰী হিচাপে কাম কৰি আহিছে। তেওঁ কয় যে, ভাৰতবাসীয়ে কেতিয়াও কোনো কাৰণতে সৰ্বোচ্চ ন্যায়ালয় অথবা ভাৰতীয় ন্যায়িক ব্যৱস্থাৰ বিৰুদ্ধে প্ৰশ্ন উত্থাপন কৰা নাই। সেই বাবে সৰ্বোচ্চ ন্যায়ালয়ৰ ৭৫ বছৰ পূৰ্তিয়ে গণতন্ত্ৰৰ মাতৃ হিচাপে ভাৰতৰ গৌৰৱ উজ্বল কৰি তুলিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, সত্যমেৱ জয়তেৰ জৰিয়তে ন্যায়ালয়ে সাংস্কৃতিক বাৰ্তাও বহন কৰি আহিছে। ভাৰতীয় গণতন্ত্ৰত ন্যায়িক ব্যৱস্থাক সংবিধানৰ ৰক্ষক হিচাপে গণ্য কৰি অহা হৈছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় য়ে, এয়া ন্যায়িক ব্যৱস্থাটোৰ ওপৰত অৰ্পিত বৃহৎ দায়িত্ব।

অনুষ্ঠানত অংশগ্ৰহণ কৰি দেশৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচুড়ে কয় যে, চলিত বছৰৰ মাৰ্চত কচ্ছত অনুষ্ঠিত সদৌ ভাৰত জিলা ন্যায়াধীশ সমাৰোহৰ অংশ হিচাপে এই দুদিনীয়া সমাৰোহৰ আয়োজন কৰা হৈছে। তেওঁ কয় যে এই সমাৰোহত ভাৰতীয় আইন ব্যৱস্থাৰ ভৱিষ্যত সন্দৰ্ভত সুসংহত নীতি উদ্ভাৱনৰ বাবে জিলা ন্যায় ব্যৱস্থা আৰু অন্যান্য সকলৰ মাজত বিস্তৃত আলোচনা অনুষ্ঠিত হ'ব।

০০০

গুৱাহাটী পৌৰ নিগমে মহানগৰীখনক প্ৰদূষণমুক্ত কৰি ৰখাৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে আজি মেয়ৰ মৃগেন শৰণীয়াই ৫ খন বাহনৰ শুভাৰম্ভ কৰে। গুৱাহাটী পৌৰ নিগমে প্ৰদূষণমুক্ত ভাৰত অভিযানৰ অধীনত পূৰ্বে ৩ খন পানী ছটিওৱা বাহন ক্ৰয় কৰিছিল। এই বাহনকেইখনে চহৰৰ বিভিন্ন পথত ধূলি নিয়ন্ত্ৰণ কৰিবলৈ সহায় কৰিব। ইয়াৰ উপৰিও গুৱাহাটী পৌৰ নিগমৰ ছাফাই কৰ্মচাৰীৰ দৈনন্দিন যাতায়াতৰ সুবিধাৰ বাবে দুখন বাছ ক্ৰয় কৰিছে। ইপিনে মেয়ৰ শৰণীয়াই আজি মহানগৰীৰ ৪৩ নম্বৰ ৱাৰ্ডৰ দক্ষিণ বৰসজাই মৈদাম দুৰ্গা মন্দিৰ ন্যাসৰ প্ৰস্তাৱিত প্ৰেক্ষাগৃহ আৰু যাত্ৰী নিবাসৰ নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ কৰে।

০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰণজিত কুমাৰ দাসে আজি বজালী জিলাৰ পাটাছাৰকুছিত এক কোটি ৩৯ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ৬টাকৈ উন্নয়নমূলক কামৰ উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে নৰ্থ কামৰূপ মহাবিদ্যালয়ৰ আৱাসিক গৃহ, পাঠশালা হাইস্কুলৰ শ্ৰেণীকোঠা, ডিজিটেল পুথিভৰাল উদ্বোধন কৰে। মন্ত্ৰী শ্ৰী দাসে লগতে শ্বহীদ অক্ষেন্দ্ৰ উচ্চ মাধ্যমিক বিদ্যালয়, ৰিহাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু পাটাছাৰকুছি হাইস্কুলত ডিজিটেল পুথিভৰাল উদ্বোধন কৰে।

০০০

তিনিচুকীয়াৰ পেঙেৰীত আপাৰ দিহিং সংৰক্ষিত বনাঞ্চলত সেনা বাহিনী আৰু অসম আৰক্ষীৰ যুটীয়া অভিযানত এটা ৰাইফল, দুটা মেগজিন, গুলী আৰু বিস্ফোৰকসহ ভালেমান সামগ্ৰী জব্দ কৰা হৈছে। অস্ত্ৰ-শস্ত্ৰসমূহ উগ্ৰপন্থী আলফা স্বাধীনৰ বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে। তিনিচুকীয়াৰ অতিৰিক্ত আৰক্ষী অধীক্ষক মৃন্ময় দাসৰ নেতৃত্বত শুকুৰবাৰে নিশা আপাৰ দিহিং সংৰক্ষিত বনাঞ্চলত চলা অভিযানত মাৰণাস্ত্ৰখিনি জব্দ কৰা হয়।

০০০

গোৱালপাৰা জিলাৰ বালিজানা শিক্ষাখণ্ডত খণ্ড সমল কেন্দ্ৰ এটা আজি উদ্বোধন কৰা হয়। চেণ্টাৰ ফৰ মাইক্ৰ'ফাইনেন্স এণ্ড লাইভলিহুডৰ সহযোগত আৰু টাটা ট্ৰাষ্টৰ সহযোগত নিৰ্মাণ কৰা এই কেন্দ্ৰটো আতি জিলাখনৰ অতিৰিক্ত আয়ুক্ত অৰুণ কুমাৰ ব্ৰহ্মই উদ্বোধন কৰে। আজিৰ এই উদ্বোধনী অনুষ্ঠানত জিলা প্ৰাথমিক শিক্ষা বিষয়া, জিলা প্ৰকল্প বিষয়াৰ লগতে বিভিন্ন খণ্ডৰ সমল ব্যক্তি উপস্থিত থাকে। উদ্বোধনী অনুষ্ঠানৰ লগত সংগতি ৰাখি গছপুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত হয়।

০০০

গোলাঘাট জিলাত দুৰ্যোগ প্ৰশমন বিভাগৰ অন্তৰ্গত এটা জিলা জৰুৰীকালীন সেৱাকেন্দ্ৰ মুকলি কৰা হয়। গোলাঘাটৰ জিলা আয়ুক্ত ডা০ পি উদয় প্ৰবীণে কেন্দ্ৰটো মুকলি কৰে। অনাগত দিনত জিলাখনত দুৰ্যোগ প্ৰশমন, ক্ষীপ্ৰ যোগাযোগ তথা তাৎক্ষণিক সঁহাৰিৰ ক্ষেত্ৰত এই কেন্দ্ৰটোৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি জিলা আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। উদ্বোধনী অনুষ্ঠানত উপস্থিত থকা অসম ৰাজ্যিক দুৰ্যোগ প্ৰশমন কৰ্তৃপক্ষৰ ৰাজ্যিক প্ৰকল্প সমন্বয়ক তথা উপ-সচিব অলকানন্দ মেধিয়ে এই জৰুৰীকালীন সেৱা কেন্দ্ৰই দুৰ্যোগৰ সময়ত জিলাবাসীক সেৱা আগবঢ়াব বুলি উল্লেখ কৰে।

০০০

সমাপ্ত